# অসম আদিত্য

৯ পুহ, ১৯৪৬ শক ■ বুধবাৰ, ২৫ ডিচেম্বৰ, ২০২৪ ■ Asom Aditya, Dibrugarh, Wednesday, December 25, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ

RN
Po
e-m

শিষ্ট কবি তথা মৰাণ
ালয়ৰ অধ্যাপক ড০
য়ে এই প্ৰতিবেদকক
বৰ্তমান তেওঁ অৱস্থা
স্বাস্থ্যৰ উন্নতি আৰু
গ্য কামনা কৰিছে
ন নাগৰিকমহলে।

## ...িল্পী সূৰ্য ...ৰ মৃত্যুত ...ক প্ৰকাশ

ডিচেম্বৰ ঃ স্বদেশ
ক ভাল পোৱা, বহু
তৰ স্ৰষ্টা, অসমীয়া
গণশিল্পী সূৰ্য দাসৰ
শোক প্ৰকাশ কৰিছে
সমিতি, অসমে।
াৰ বিভাগৰ এক
সমৰ জনসংস্কৃতি
ত্ৰত শিল্পীজনাৰ
ৰিসীম বুলি ব্যক্ত
তে জাতিটোৰ
হিচাপে পৰিচয়
গণশিল্পীগৰাকীৰ
ৰ চিৰশান্তি কামনা
ন্তপ্ত পৰিয়ালবৰ্গলৈ
পন কৰে।

### ডিব্ৰুগড় স্মাৰ্টচিটিৰ ব্যাখ্যা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ

# সু-শাসন গন্তব্যস্থান নহয়, অবিৰত যাত্ৰা




**ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ ডিচেম্বৰ ঃ** দেশ, জাতি, ৰাষ্ট্ৰ, অনুষ্ঠান-প্ৰতিষ্ঠানত সু-শাসনৰ অবিহনে সমাজৰ ভেঁটি দুৰ্বল হ'ব পাৰে। সু-শাসন হৈছে এটা জাতিৰ প্ৰগতিৰ মূল চাবি-কাঠি। —ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। ডিব্ৰুগড় জিলা প্ৰশাসনে সু-শাসন সপ্তাহৰ অংশ হিচাপে আজি অনুষ্ঠিত কৰা এক কৰ্মশালাত তেওঁ কয়— সু-শাসন হৈছে প্ৰতিটো সম্পদৰ ব্যৱহাৰ কৰি সমাজৰ প্ৰয়োজনীয়তা পূৰণ কৰি জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰা। তেওঁ কয়— এখন দেশ উন্নতিৰ আৰু প্ৰগতিৰ মূল কাৰণটোৱেই হ'ল সু-শাসন। দেশ বা ৰাষ্ট্ৰত সু-শাসন প্ৰৱৰ্তন হ'লে সেই দেশৰ প্ৰগতি আৰু উন্নতি কোনেও ৰোধ কৰিব নোৱাৰে বুলি উল্লেখ কৰি তেওঁ কয়— এখন ৰাষ্ট্ৰৰ প্ৰত্যেকটো দিশ সঠিকভাৱে ব্যৱহাৰ কৰা, নৈতিকতা বজাই ৰখা, স্বচ্ছ ব্যৱস্থাপনা প্ৰৱৰ্তন হোৱা আদি সু-শাসনৰ অন্যতম অংশ। তেওঁ কয়— সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত যেতিয়া সমূহীয়া অংশগ্ৰহণ থাকে, নীতি ৰূপায়ণৰ ক্ষেত্ৰত সকলোৰে সঁহাৰি থাকে, সমতাৰ ওপৰত যেতিয়া গুৰুত্ব আৰোপ কৰা হয়, তেতিয়াই দেশ-ৰাষ্ট্ৰ বা অনুষ্ঠানত সু-শাসন প্ৰৱৰ্তন হোৱা বুলি কোৱা হয়। সু-শাসনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল জবাবদিহিতা। পৃথিৱীৰ সু-শাসনৰ তালিকাত থকা ছিংগাপুৰ, ডেনমাৰ্ক আৰু ফিনলেণ্ডৰ উদাহৰণ দাঙি ধৰি তেওঁ কয়— এই দেশবোৰত সু-শাসনৰ বাবে জনপ্ৰিয় হোৱাৰ মূল কাৰণটো হ'ল সকলো শ্ৰেণীৰ অংশগ্ৰহণ আৰু সিদ্ধান্ত গ্ৰহণ। তেওঁ ডিব্ৰুগড় স্মাৰ্ট চিটিৰ প্ৰসংগ উল্লেখ কৰি কয়— নগৰীকৰণৰ হ্ৰস্ব আৰু দীৰ্ঘকালীন পৰিকল্পনা, স্মাৰ্ট ৰ'ড, ৰাজহুৱা পৰিবহণ, নলা-নৰ্দমা, বিজ্ঞানসন্মতভাৱে নিৰ্মাণকৰণ, ৱাই-ফাই, হট্‌স্পট, ই-গবাৰ্নেঞ্চ, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ পদক্ষেপ, সেউজীয়া ঠাই সংৰক্ষণ, পেলনীয়া সামগ্ৰীৰ ব্যৱস্থাপনা, স্মাৰ্ট স্বাস্থ্য আৰু শিক্ষা সেৱা, নবীকৰণ শক্তি, পৰ্যটন আৰু সংস্কৃতিৰ উত্তৰণ, ঐতিহাসিক সম্পদসমূহৰ সংৰক্ষণ, পৰ্যটনৰ সা-সুবিধা, নাগৰিকৰ নিয়োগ বা সহযোগ, ফিড্‌বেক মঞ্চ আদিকে ধৰি অন্যান্য ক্ষেত্ৰত উত্তৰণ ঘটাব লাগিব। বিজ্ঞানসন্মতভাৱে পৰিকল্পনা নকৰিলে স্মাৰ্ট চিটিৰ সপোন বাস্তৱত ৰূপায়িত নহয় বুলিও তেওঁ কয়। তেওঁ চীন দেশে ২০৪৯ চনত এশ বছৰ পূৰ্ণৰ উপলক্ষে ১৫০ খন দেশক সামৰি 'বান বেল্ট, বান ৰ'ড' নিৰ্মাণ কৰাৰ প্ৰসংগও উল্লেখ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড০ কন্দৰ্প কুমাৰ ডেকাই সঞ্চালনা কৰা সভাত শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰে শিক্ষা আৰু দক্ষতা বিকাশৰ ওপৰত মননশীল বক্তৃতা প্ৰদান কৰে। চিকিৎসক ডাঃ শান্তনু লহকৰে চিকিৎসাৰ উত্তৰণৰ দিশত ল'ব পৰা ভূমিকাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন চাংমায়ে অৰ্থনৈতিক প্ৰগতিৰ সম্পৰ্কত বিশ্লেষণ আগবঢ়ায়। অতিৰিক্ত আয়ুক্ত নন্দিতা বৰুৱাই অনুষ্ঠানটি আঁত ধৰাৰ লগতে আদৰণী ভাষণ প্ৰদান কৰে। ডি এইচ এছ কানৈ বাণিজ্য মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শৈলেন গগৈ আৰু এন এল বি চিটি মহাবিদ্যালয়ৰ উপাধ্যক্ষা মানসী বৰগোঁহায়ে মত-বিনিময় কৰে। অনুষ্ঠানত কেইবাটাও উন্নয়ন সম্পৰ্কত পিপিটি পৰিৱেশন কৰে। ডিব্ৰুগড়ৰ কেইবাজনো প্ৰশাসনিক বিষয়াৰ লগতে পশ্চিম ৰাজহ চক্ৰ বিষয়া সংলগ্ন সুৰঞ্জিতা শৰ্মা, ৰেভিনিউ চিৰস্তাদাৰ আদিও উক্ত অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় শিবানী দত্তই।



ডিব্ৰুগড় পৌৰ নিগমত পৰ্যা

## শেনচোৰা

## দ্বাদশ বাৰ্ষিক

**বিশেষ প্ৰতিনিধি, টেঙাখাত, ২৪ ডিচেম্ব**
জিলাৰ টেঙাখাতৰ শেনচোৰাত শ্ৰীমন্ত শং
শংকৰদেৱ প্ৰাথমিক শাখাৰ দ্বাদশ বাৰ্ষিক
দুদিনীয়াকৈ বিস্তৃত কাৰ্যসূচীৰে সামৰণি প
কাৰ্যসূচীৰ লগত সংগতি ৰাখি সন্ধিয়া ৬
বাহিনী আৰু আই কল্যাণ সমিতিৰ সাধাৰণ
অনুষ্ঠিত হয়। ৭ বজাত অনুষ্ঠিত হোৱা প্ৰ
কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰাৰ ল
বৰ্ষৰ বাবে ইন্দ্ৰেশ্বৰ গগৈক সভাপতি অ
হাজৰিকাক সম্পাদক হিচাপে লৈ এখনি
কৰে। দ্বিতীয় দিনা অৰ্থাৎ আজি সামৰণি প
লগত সংগতি ৰাখি ৫-৫০ বজাত সেৱা
নামঘৰৰ চাৰিসীমা চাফাই অভিযানেৰে কাৰ্য
হয়। বৃক্ষৰোপণ কাৰ্যসূচী মুকলি ক
হাজৰিকাই। ৭ বজাত স্থায়ী ভাগৰত প্ৰতি
হাজৰিকাই। ধৰ্মধ্বজা উত্তোলন কৰে শংকৰ
শাখাৰ সভাপতি ইন্দ্ৰেশ্বৰ গগৈয়ে। ৯ ব

## ...কাৰ! তেৰবছৰে সন্ধানহীন ...হাৰীখনীয়াৰ এহাল দম্পতী

